# অল ইণ্ডিয়া পিপ'লছ চায়েন্স নেটৱৰ্ক (AIPSN)

## সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্ক

## ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ আমি বিজ্ঞানমনস্ক হ'ব লাগিব।

## জ্যোতিষ-শাস্ত্ৰ চৰ্চাৰ চৰকাৰী পৃষ্ঠপোষকতা বন্ধ কৰক।

# ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস, ২০২১ উপলক্ষে আৱেদন

ইন্দিৰা গান্ধী জাতীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU)ৰ অধীনত চলিত শিক্ষাবৰ্ষৰ পৰাই স্নাতকোত্তৰ পৰ্যায়ত জ্যোতিষ-শাস্ত্ৰ (Astrology)ৰ পাঠ্যক্ৰম আৰম্ভ কৰাত আমি অল ইণ্ডিয়া পিপ'লছ চায়েন্স নেটৱৰ্ক (AIPSN)ৰ অন্তৰ্ভুক্ত সংগঠনসমূহে গভীৰ উদ্বেগ প্ৰকাশ কৰিছোঁ। আমি ক্ষোভেৰে লক্ষ্য কৰিছোঁ যে কেইখনমান ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়তো এনে ধৰণৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি- ২০২০ৰ মতে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সকলো স্তৰতেই "ভাৰতীয় জ্ঞান-চৰ্চা (Indian Knowledge System) বিষয়ক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লগা হেতুকেই তেনেবোৰ বিষয়ৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে বুলি সংশ্লিষ্ট বিশ্ববিদ্যালয় কৰ্তৃপক্ষই যুক্তি প্ৰদৰ্শন কৰিছে।

জ্যোতিৰ্বিজ্ঞান (Astronomy), গণিত, ধাতু বিষয়ক চৰ্চা আৰু দৰ্শন শাস্ত্ৰ আদিৰ চৰ্চাৰ ক্ষেত্ৰত ভাৰতৰ এটা গৌৰৱময় ঐতিহ্য আৰু পৰম্পৰা আছে। আধুনিক বিজ্ঞানৰ বৃহৎ বট-বৃক্ষ ডালত প্ৰাচীন সভ্যতাসমূহে বিভিন্ন সময়ত বেলেগ বেলেগ ধৰণে সাৰ-পানী দিছিল। আমাৰ সামূহিক জ্ঞানৰ ভড়াললৈ ভাৰতীয় সভ্যতাইও নিঃসন্দেহে কিছুমান গুৰুত্বপূৰ্ণ বৰঙনি আগবঢ়াইছে আৰু তেনে অৱদানসমূহে জ্ঞান-বিজ্ঞানৰ জগতত এক বিশেষ স্থান অধিকাৰ কৰি আছে।

কিন্তু অতীত ভাৰতবৰ্ষত বিজ্ঞান আৰু প্ৰযুক্তিৰ সাংঘাতিক কিছুমান আৱিষ্কাৰৰ (যেনে প্ৰাচীন কালত ভাৰতত মানুহে আকাশত উৰিব পাৰিছিল ইত্যাদি) প্ৰমাণ হিচাপে প্ৰাচীন গ্ৰন্থ, মহাকাব্য আদিৰ কাহিনী বা কল্পকথা বিলাকৰ উদাহৰণ ডাঙি ধৰাটো হাস্যকৰ। একেদৰে গ্ৰহ-উপগ্ৰহৰ অৱস্থানে মানুহৰ ভৱিষ্যৎ নিয়ন্ত্ৰণ কৰা ইত্যাদি ধৰণৰ যিবোৰ অবৈজ্ঞানিক আলোচনা জ্যোতিষ-শাস্ত্ৰত আছে তেনেবোৰ কথাক মান্যতা প্ৰদান কৰাৰ প্ৰচেষ্টাই বিজ্ঞান চৰ্চাৰ প্ৰকৃত আৰু শক্তিশালী ভাৰতীয় ধাৰাটোৰ যথেষ্ট ক্ষতিহে কৰিব। বিজ্ঞানৰ প্ৰকৃত ইতিহাস অধ্যয়ন কৰাৰ কাৰণে ব্যৱহাৰ কৰিব পৰা প্ৰতিটো মুহূৰ্ত ছাত্ৰ-ছাত্ৰীসকলে দেখদেখকৈ অসত্য কথা কিছুমান শিকাৰ কাৰণে অবাবত নষ্ট কৰিব।

জ্যোতিষৰ গণনাই ভৱিষ্যতবাণী কৰা কথাবিলাক পৰিসংখ্যা বিজ্ঞানৰ পৰীক্ষাসমূহেও ভিত্তিহীন বুলি প্ৰমাণ কৰিছে। মানৱ দেহৰ ওপৰত গ্ৰহ-নক্ষত্ৰ সমূহৰ অৱস্থানৰ প্ৰভাৱ আছে বুলি থকা বিশ্বাসৰো কোনো বৈজ্ঞানিক ভিত্তি নাই। জন্মকুণ্ডলীৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰহ-নক্ষত্ৰসমূহে মানুহৰ ওপৰত বেলেগ বেলেগ ধৰণে ক্ৰিয়া কৰে বুলি থকা জ্যোতিষ-শাস্ত্ৰৰ মূল নীতিটো ভিত্তিহীন বুলি সাধাৰণ যুক্তিৰেও সহজে বুজিব পাৰি। এনেকুৱা এটা অযৌক্তিক, অবৈজ্ঞানিক আৰু অপ্ৰমাণিত বিষয় IGNOUৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ মাজেৰে চৰকাৰে অন্ধবিশ্বাস আৰু অবৈজ্ঞানিক চিন্তাকহে উৎসাহিত কৰিছে। ইয়াৰ উপৰি ভাৰতীয় সংবিধানৰ ৫১নং অনুচ্ছেদৰ এ (এইছ) দফা অনুযায়ী নিজকে বিজ্ঞানমনস্ক কৰি তুলিবলৈ যত্ন কৰাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰেই এক মৌলিক কৰ্তব্য। কিন্তু জ্যোতিষ-শাস্ত্ৰক স্নাতকোত্তৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্তিৰ জৰিয়তে IGNOU এ সংবিধানৰ এই ধাৰাটোৰ বিপৰীতে খোজ পেলাইছে। বিজ্ঞানমনস্কতাৰ প্ৰসাৰক অন্যতম গুৰুত্বপূৰ্ণ কৰ্তব্য বুলি বিবেচনা কৰা আমি সকলোৱে অপবিজ্ঞানক উৎসাহিত কৰা সকলো ধৰণৰ চৰকাৰী প্ৰচেষ্টাৰ বিৰোধিতা কৰিব লাগিব।

আমি গভীৰ উদ্বেগেৰে লক্ষ্য কৰিছোঁ যে কেন্দ্ৰীয় চৰকাৰ আৰু কেইখনমান ৰাজ্য চৰকাৰে ভুৱা তথ্য আৰু বিজ্ঞানৰ ছদ্মবেশেৰে অহা অবৈজ্ঞানিক বা ছদ্মবৈজ্ঞানিক ধাৰণা (pseudoscientific ideas) কিছুমানৰ প্ৰচাৰকো উৎসাহিত কৰিছে। চৰকাৰৰ এনে কিছুমান দায়িত্বহীন সিদ্ধান্তৰ ফলত এহাতে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে আৰু আনহাতে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ কাৰণে বিজ্ঞানসন্মত নীতিৰ আধাৰত প্ৰয়োজনীয় সঠিক পৰিকল্পনা গ্ৰহণৰ বিষয়টো যথেষ্ট অৱহেলিত হৈছে। বৈজ্ঞানিক মানসিকতাৰ অবিহনে ক'ভিডৰ সৈতে যুঁজিব পৰা নাযায়। বেছি সংখ্যক ৰাজ্যতেই আজি ৰাজহুৱা চিকিৎসা ব্যৱস্থা সাংঘাতিকভাৱে অৱহেলিত। কেৱল ব্যৱসায়িক লাভৰ উদ্দ্যেশ্যেৰে গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ চিকিৎসা ব্যৱস্থাটোক চৰকাৰে উৎসাহিত কৰি আছে। ক'ভিডৰ বিৰুদ্ধে বিজ্ঞানসন্মতভাৱে যুঁজিবলৈ হ'লে এই চৰকাৰী নীতি সলনি কৰিব লাগিব। ক'ভিড-বিৰোধী যুঁজ সফল কৰিবলৈ হ'লে কম সময়ৰ ভিতৰত বহু মানুহক ভেকচিন প্ৰদান কৰাৰ কাৰ্যকৰী ব্যৱস্থা এটাৰ প্ৰয়োজন।

দেশত সকলো নাগৰিককেই ক্ষিপ্ৰতাৰে বিনামূলীয়া ভেকচিন প্ৰদান নিশ্চিত কৰিব লাগিব। ইয়াৰ কাৰণে সঠিক আৰু শুদ্ধ তথ্যৰ আধাৰত পৰিকল্পনা গ্ৰহণ কৰিব লাগিব। বৰ্তমান সময়ত কেন্দ্ৰীয় চৰকাৰ আৰু কেইখনমান ৰাজ্য চৰকাৰে বিপুল পৰিমাণৰ ৰাজহুৱা ধনৰ অপচয় কৰি বিনামূলীয়া ভেকচিনৰ বিজ্ঞাপনৰ জৰিয়তে নিজৰ প্ৰচাৰত ব্যস্ত হৈ পৰা দেখা গৈছে। কিন্তু কাৰ্যক্ষেত্ৰত ভেকচিনৰ যোগান একেবাৰেই আশানুৰূপ নহয় আৰু অক্সিজেনৰ যোগানো পৰ্যাপ্ত নহয়। আনকি বহু ঠাইত ক'ভিডত মৃত্যু হোৱা মানুহৰ দেহ সৎকাৰ কৰাৰো কোনো ব্যৱস্থা নাই। বিভিন্ন ঠাইৰ ক'ভিড পৰিস্থিতিৰ প্ৰকৃত ছবিখন মানুহৰ মাজত সততাৰে তুলি ধৰিবলৈ চেষ্টা কৰা সংবাদ মাধ্যম বা তেনে ধৰণৰ সংগঠনসমূহক চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰ কৰি নিশ্চুপ কৰিবলৈ হেচাঁ প্ৰয়োগ কৰা হৈছে। এনেবোৰ সংগঠন চৰকাৰ নিয়ন্ত্ৰিত সংস্থা সমূহৰ পৰিকল্পিত আক্ৰমণৰ লক্ষ্য হৈ পৰিছে। এনেদৰে চৰকাৰে নিজেই ভুৱা তথ্য প্ৰচাৰ কৰিছে আৰু প্ৰকৃত সত্য গাপ দিবলৈ চেষ্টা কৰিছে।

আমি সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্কৰ সদস্য আৰু উদ্বিগ্ন নাগৰিকসকলে দাবী কৰোঁ যে গ্ৰহ-নক্ষত্ৰৰ অৱস্থান চাই মানুহৰ ভাগ্য নিৰ্ণয় কৰা ধৰণৰ অন্ধবিশ্বাস আৰু অবৈজ্ঞানিক ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বিষয় সকলো ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰা আঁতৰাব লাগে। ইয়াৰ সলনি সকলো ভাৰতীয় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত জ্যোতিৰ্বিজ্ঞান (Astronomy)ৰ বিষয়টো অন্তৰ্ভুক্ত কৰিব লাগে।

আমি দাবী কৰোঁ যে স্বাস্থ্য খণ্ডত ব্যক্তিগত ব্যৱসায়ক উৎসাহ যোগোৱা চৰকাৰী নীতি পৰিৱৰ্তন কৰিব লাগে আৰু বিজ্ঞানসন্মত ৰাজহুৱা ব্যৱস্থাৰ যোগেদি উচ্চ মানৰ চিকিৎসা সেৱা লাভ কৰাটো সকলো মানুহৰ এক অধিকাৰ হিচাপে নিশ্চিত কৰিব লাগে। আমি এই দাবীও কৰোঁ যে ক'ভিড সংক্ৰান্তীয় বাতৰি সততাৰে প্ৰচাৰ কৰি অহা সংবাদ মাধ্যম সমূহৰ ওপৰত চৰকাৰে আক্ৰমণ কৰা বন্ধ কৰিব লাগে। জনসাধাৰণৰ মাজত বিজ্ঞানমনস্কতাক উৎসাহিত কৰিবলৈ ভাৰতীয় সংবিধানৰ ৫১নং অনুচ্ছেদৰ এ (এইছ) দফাই আমাক যিধৰণে নিৰ্দেশ দিছে তাৰ প্ৰতি যথোপযুক্ত শ্ৰদ্ধা প্ৰদৰ্শন কৰাৰ কাৰণেও আমি দাবী জনাইছোঁ। কাৰণ ক'ভিডৰ বিৰুদ্ধে যুঁজিবলৈ আৰু ইয়াক পৰাভূত কৰিবলৈ বিজ্ঞানমনস্কতাৰ অতিশয় প্ৰয়োজন। এই সংকটপূৰ্ণ সময়ত ৰাইজৰ মাজত বিজ্ঞানমনস্কতাক উৎসাহিত কৰাৰ কাৰণে আৰু নৰেন্দ্ৰ ডাভোলকাৰ, গোবিন্দ পানচাৰে, এম এম কালবুৰ্গী আৰু গৌৰী লংকেশৰ হত্যাৰ প্ৰতিবাদত অহা ২০ আগষ্টৰ **'ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস'**ত অংশগ্ৰহণ কৰিবলৈ আমি সকলো নাগৰিক, গণসংগঠন আৰু ছাত্ৰ-যুৱ সমাজৰ প্ৰতি আহ্বান জনালোঁ।

| **নাম** | **ঠিকনা** | **স্বাক্ষৰ** |
|---|---|---|
| | | |